প্ৰস্তাৱনা অধ্যায়

# ঊনবিংশ শতিকাত অসম সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশন
# এক সমীক্ষাত্মক অধ্যয়ন

### প্ৰস্তাৱনা অধ্যায়

# ঊনবিংশ শতিকাত অসম সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশন
# এক সমীক্ষাত্মক অধ্যয়ন

## ০.০০ অৱতৰণিকা

### ০.০১ বিষয়ৰ পৰিচয়

পৃথিৱীৰ ইতিহাসত দেখা যায়, উন্নত দেশসমূহত নিজ নিজ ভাষাৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰখন অনেক পুৰণি। সেইবোৰ দেশত মুদ্ৰণ যন্ত্ৰৰে গ্ৰন্থ ছপা কৰা কাৰ্য কেইবা শতিকাৰ আগৰে পৰাই আৰম্ভ হৈছিল। আনহাতে আমাৰ প্ৰতিবেশী ৰাজ্য বঙ্গদেশকে ধৰি ভাৰতৰ কেইবাখনো ৰাজ্যত মুদ্ৰিত গ্ৰন্থ প্ৰকাশৰ কাম অসমতকৈ শতাধিক বছৰ আগতেই আৰম্ভ হৈছিল। অসমীয়া ভাষাত প্ৰথম গ্ৰন্থ মুদ্ৰিত হয় ঊনবিংশ শতিকাৰ দ্বিতীয় দশকত। সেয়ে ঊনবিংশ শতিকাই অসমৰ গ্ৰন্থ প্ৰকাশন ক্ষেত্ৰত এক ঐতিহাসিক গুৰুত্ব লাভ কৰিছে। এনে গুৰুত্ব থকা শতিকাটিত অসম সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশনৰ এক সমীক্ষাত্মক অধ্যয়ন কৰাটো অতিশয় গুৰুত্বপূৰ্ণ বিষয় ৰূপে বিবেচনা কৰা হৈছে। আমাৰ গৱেষণাত শতিকাটোত অসমীয়া ভাষাত লিখিত বা অন্যান্য ভাষাত অসম সম্পৰ্কে লিখিত সকলো গ্ৰন্থ সামৰি লোৱা হৈছে বুলি আমাৰ বিশ্বাস। ঊনবিংশ শতিকাত গ্ৰন্থ প্ৰকাশনৰ পটভূমি আৰু সমস্যা তথা প্ৰত্যাহ্বান এক আলোচনাযোগ্য বিষয়। তদুপৰি কেনে পৰিস্থিতিত কিমান সংকটৰ মাজত গ্ৰন্থ প্ৰকাশনৰ অগ্ৰগতি ঘটিছিল সিও বিচাৰ্য। এই গৱেষণাত খ্ৰীষ্টান মিছনেৰী, ব্ৰিটিছ বিষয়া আৰু অসমৰ লেখকৰ ভূমিকাও আলোচনা কৰা হৈছে। ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থৰ বিষয়সমূহ নানা ভাগত শ্ৰেণীবদ্ধ কৰিব পাৰি। ইয়াৰ বাহিৰেও ছপাযন্ত্ৰ, মুদ্ৰণ কাৰ্য, ছপাশাল আৰু একাধিক দিশৰ আলোচনা এই প্ৰসংগতে আহি পৰে।

### ০.০২ গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্য

ঊনবিংশ শতিকাত অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থ তথা অসমৰ বিষয়ৰ সৈতে সম্পৃক্ত ইংৰাজী, বাংলা বা অন্যান্য ভাষাত প্ৰকাশিত গ্ৰন্থৰ বিষয়ে তথ্য সংগ্ৰহ আৰু বিশ্লেষণ কৰি বিজ্ঞানসন্মতভাৱে অধ্যয়ন আৰু অনুসন্ধান কৰি প্ৰয়োজনীয় তথ্য লিপিবদ্ধ কৰি স্থায়িত্ব প্ৰদান কৰাটো আমাৰ এই প্ৰচেষ্টাৰ প্ৰধান লক্ষ্য

আৰু উদ্দেশ্য। এই উদ্দেশ্যক স্পষ্ট ৰূপত কেইটামান বিভাগত ভাগ কৰি দেখুৱাব পৰা যায়—

১। অসমত গ্ৰন্থ চৰ্চাৰ আৰম্ভণি, ইতিহাস, প্ৰকাশনৰ আন্তঃগাঁথনি, প্ৰাথমিক সা-সুবিধা, অসমৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱেশ আদিৰ বিষয়ে এটি সমীক্ষাত্মক অধ্যয়ন।

২। অসমীয়া গ্ৰন্থ প্ৰকাশনৰ আৰম্ভণি, 'হৰফ' (আখৰ) নিৰ্মাণ, ছপাশালৰ সা-সুবিধা, প্ৰথম অসমীয়া ছপাগ্ৰন্থ 'ধৰ্ম্মপুস্তক' প্ৰকাশনৰ চন সম্পৰ্কীয় বিভ্ৰান্তিৰ সমিধান, অসমত মুদ্ৰিত আৰু প্ৰকাশিত প্ৰথম গ্ৰন্থৰ অনুসন্ধান আদিৰ তথ্যভিত্তিক মীমাংসা আৰু সিদ্ধান্ত।

৩। অসমৰ গ্ৰন্থ প্ৰকাশনৰ স'তে জড়িত আমেৰিকান বেপ্টিষ্ট মিছন, ব্ৰিটিছ প্ৰশাসক আৰু অসমীয়া লেখকসকলৰ ভূমিকা।

৪। ঊনবিংশ শতিকাত অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থ আৰু অসমৰ প্ৰসঙ্গ উল্লেখেৰে লিখিত ইংৰাজী, বাংলা বা অন্যান্য ভাষাত প্ৰকাশিত গ্ৰন্থৰ বিষয়ে অনুসন্ধান কৰি তালিকা প্ৰস্তুত কৰা।

৫। ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসমূহক বিষয়ভিত্তিত বিশ্লেষণাত্মক দৃষ্টিৰে উপস্থাপন কৰা আৰু গ্ৰন্থসমূহৰ সমীক্ষাত্মক পৰিসংখ্যা আগবঢ়োৱা।

৬। ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিষয়সমূহ সমীক্ষাত্মক দৃষ্টিভংগীৰে বিচাৰ-বিশ্লেষণ কৰি তথ্য সন্নিৱিষ্ট কৰা।

ক) ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনত ব্যৱহাৰ হোৱা শঁক, শকাব্দ, বঙ্গাব্দ, সন, সাল, খ্ৰীষ্টাব্দ, শঙ্কৰাব্দ আদি গণনা প্ৰথাৰ বিষয়ে বিশ্লেষণাত্মক সমীক্ষা চলাই তথ্য উদ্‌ঘাটন কৰা।

খ) ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ মুদ্ৰণ আৰু প্ৰকাশনৰ ক্ষেত্ৰৰূপে প্ৰতিষ্ঠা লভা ছপাশালসমূহৰ তথ্য উদ্‌ঘাটন কৰা।

গ) ঊনবিংশ শতিকাত অসমত প্ৰচলিত কাকত-আলোচনীসমূহৰ বিষয়ে সংগৃহীত তথ্য সংক্ষিপ্ত ৰূপত উপস্থাপন কৰা।

ঘ) ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনত ব্যৱহাৰ কৰা টকা-পইচাৰ হিচাপ, সাংকেতিক চিহ্ন আদিৰ তথ্য সংগ্ৰহ কৰা।

**০.০৩ প্ৰস্তাৱিত বিষয়টো অধ্যয়নৰ গুৰুত্ব ঃ**

আলোচ্য বিষয়টিৰ গুৰুত্ব এইবাবেই বেছি যে, অসমৰ ইতিহাসত ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে হস্তলিখিত পুথিসম্ভাৰৰ বিষয়ে ভালেসংখ্যক 'গ্ৰন্থপঞ্জী' (Catalogue) প্ৰকাশিত হৈছে যদিও ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসম্ভাৰৰ বিষয়ে তেনে ধৰণৰ পুথি পৰ্যাপ্ত নহয়।

অসমীয়া গ্ৰন্থ তালিকা বা গ্ৰন্থপঞ্জী ৰূপে বিংশ শতিকাত একাধিক গ্ৰন্থ প্ৰকাশ পাইছে যদিও সেই গ্ৰন্থপঞ্জীসমূহত ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থৰ বিষয়ে তথ্য অতি নগণ্য। যেনে, সূৰ্য্যকুমাৰ ভূঞাৰ দ্বাৰা সংকলিত 'Assamese Literature : Ancient and Modern' ৰ 'Appendix' অধ্যায়, অসম সাহিত্য সভাৰ দ্বাৰা হৰিপ্ৰসাদ নেওগ, লীলা গগৈৰ সম্পাদনাত প্ৰকাশিত 'অসমীয়া গ্ৰন্থপঞ্জী', কলকাতাৰ 'চেণ্ট্ৰেল ৰেফাৰেন্স লাইব্ৰেৰী'ৰ দ্বাৰা প্ৰকাশিত 'জাতীয় গ্ৰন্থসূচী'ৰ দুটি খণ্ড, গুৱাহাটী সাহিত্য সভাই ১৯৮৮ খ্ৰীঃত প্ৰকাশ কৰা 'গ্ৰন্থপঞ্জী', কামৰূপ জিলা সাহিত্য সভাৰ দ্বাৰা ধ্ৰুৱজ্যোতি দাসৰ সম্পাদনাত প্ৰকাশ পোৱা 'কামৰূপৰ গ্ৰন্থপঞ্জী' আদিত ঊনবিংশ শতিকাৰ গ্ৰন্থৰ বিশেষ উল্লেখ নাই। গতিকে এই বিষয়টিৰ গুৰুত্ব যথেষ্ট বেছি। অথচ এই বিষয়টোক লৈ বৰ্তমানলৈকে যি ধৰণৰ গৱেষণা হ'ব লাগিছিল সেই ধৰণে হোৱা নাই। সেয়ে বিষয়বস্তুৰ অধিক গভীৰতালৈ গৈ ঐতিহাসিক দৃষ্টিভঙ্গীৰে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায়ত এক সমীক্ষাত্মক অধ্যয়নৰ আৱশ্যকতা অনুভৱ কৰা হৈছে।

**০.০৪ অধ্যয়নৰ ক্ষেত্ৰ আৰু পৰিসৰ**

ঊনবিংশ শতিকা (১৮০১-১৯০০ খ্ৰীঃ)ত অসম সম্পৰ্কে অসমত প্ৰকাশ পোৱা গ্ৰন্থক আমাৰ অধ্যয়নৰ ক্ষেত্ৰৰ পৰিসৰ হিচাপে লোৱা হৈছে। এই ক্ষেত্ৰত অসম আৰু বঙ্গদেশৰ পৰা প্ৰকাশিত অসম সম্পৰ্কীয় অসমীয়া, ইংৰাজী, বাংলা ভাষাত মুদ্ৰিত গ্ৰন্থ আৰু ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন ঠাইৰ পৰা অন্যান্য ভাষাতো প্ৰকাশিত অসমৰ সৈতে সম্পৰ্কিত গ্ৰন্থসমূহ বিবেচনা কৰাৰ লক্ষ্য লোৱা হৈছে। শতিকাটোত অসমৰ পৰা প্ৰকাশ পোৱা কাকত, আলোচনীসমূহকো অধ্যয়নৰ সমল হিচাপে সামৰি লোৱা হৈছে।

**০.০৫ পূৰ্বে কৰা অধ্যয়নৰ সমীক্ষা**

উল্লিখিত বিষয়টোৰ পৰিসীমা বৈচিত্ৰ্যপূৰ্ণ আৰু ব্যাপক। ঊনবিংশ শতিকাৰ অনুৱৰ্তী আৰু পূৰ্বকালীন সময়ত প্ৰকাশিত গ্ৰন্থৰ বিষয়ে যৎকিঞ্চিৎ সন্নিৱিষ্ট কৰা হৈছে। বিষয়টো সন্দৰ্ভত খণ্ড খণ্ডকৈ অধ্যয়ন কৰা হৈছে যদিও পূৰ্ণাংগ ৰূপত গৱেষণামূলক গ্ৰন্থ দৃষ্টিগোচৰ হোৱা নাই। অষ্টাদশ শতিকাৰ আগছোৱাসহ ঊনবিংশ শতিকাতো হস্তলিখিত সাঁচিপতীয়া পুথিৰ নাম সন্নিৱিষ্ট কৰি এখন গ্ৰন্থ হেমচন্দ্ৰ গোস্বামীয়ে

'Descriptive Catalogue of Assamese Manuscripts' নামেৰে যুগুত কৰি থৈ গৈছে। তদুপৰি অসমত প্ৰাপ্ত সংস্কৃত ভাষাৰ পাণ্ডুলিপি সম্ভাৰৰ বিষয়ে প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে 'A Descriptive Catalogue of Sanskrit Manuscripts Preserved at D.H.A.S.' নামেৰে আন এখন গ্ৰন্থ তালিকা প্ৰস্তুত কৰি থৈ গৈছে। ত্ৰয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে অসমীয়া সাহিত্য সম্ভাৰৰ বিষয়ে ভুৱনেশ্বৰী বৈশ্যই 'বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য' গ্ৰন্থত সংকলন কৰিছে।

ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসম্ভাৰৰ তথ্য সন্নিৱিষ্ট থকা সংকলনসমূহৰ ভিতৰত ১৮৫৫ খ্ৰীঃত আনন্দৰাম ঢেকিয়াল ফুকনৰ *A Few Remarks on Assamese Language and on Vernacular Education in Assam.* (1855); ১৮৯৫ খ্ৰীঃত কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ দ্বাৰা প্ৰকাশিত *অসমীয়া পুথিৰ তালিকা,* সম্পা. ৰমাকান্ত বৰকাকতি, কনকলাল বৰুৱা, E.A.Gait (Ed.), *Report of the Progress of Historical Research in Assam*, Pub. Assam Secretariate Printing Press, Shillong (1897) আদি গ্ৰন্থ কেইখনেই পোৱা গৈছে।

পূৰ্বে কৰা অধ্যয়নৰ ফলত যথেষ্টসংখ্যক গ্ৰন্থৰ তথ্য পোৱা গৈছে যদিও সেইবোৰো আকৌ একগোট হৈ থকা নাই। ফলত প্ৰণালীবদ্ধভাৱে সুদীৰ্ঘ তালিকা প্ৰস্তুত কৰি নিখুঁত ৰূপত এখন তথ্যসমৃদ্ধ গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত গৱেষণা পত্ৰত সন্নিৱিষ্ট গ্ৰন্থসমূহৰ তালিকা আৰু গ্ৰন্থ চৰ্চাৰ সংশ্লিষ্ট তথ্যখিনিয়ে উক্ত শতিকাত প্ৰকাশিত সকলো গ্ৰন্থকে সামৰি লোৱা হৈছে বুলি দৃঢ়তাৰে ক'ব নোৱাৰি।

**০.০৬ প্ৰাক্ কল্পনা**

প্ৰস্তাৱিত গৱেষণাৰ বাবে পালন কৰা পৰ্যায়গত বিষয়বোৰ হৈছে, প্ৰস্তাৱিত গৱেষণাৰ ক্ষেত্ৰত প্ৰয়োজনীয় বিষয়সমূহ একো একোটা বিষয়ভিত্তিক অধ্যায়েৰে বিভক্ত কৰি লোৱা হৈছে। তথ্য সংগ্ৰহৰ বাবে পদ্ধতিগত নিৰ্বাচন প্ৰক্ৰিয়া যুগুতাই লোৱা হৈছে। গৱেষণামূলক দৃষ্টিভঙ্গীৰে অধ্যয়নৰ বাবে প্ৰয়োজনীয় প্ৰকল্প প্ৰস্তুত কৰা হৈছে। প্ৰাপ্ত তথ্যসমূহৰ ঐতিহাসিক আৰু বিশ্লেষণাত্মক অধ্যয়নৰ পৰা পোৱা তথ্যৰ ভিত্তিত প্ৰাথমিক গৱেষণা আৰু পৰ্যালোচনাৰে বিষয়সমূহ প্ৰস্তুত কৰা হৈছে। প্ৰাথমিকভাৱে প্ৰস্তুত কৰা বিষয়বস্তুসমূহ গৱেষণা আৰু পৰ্যালোচনাৰ অন্তত চূড়ান্ত কৰা হৈছে। সংগৃহীত তথ্য আৰু অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা তথ্যসমূহ পুনৰ মূল্যায়ন কৰি প্ৰস্তাৱিত গৱেষণা গ্ৰন্থৰ বাবে প্ৰকল্প চূড়ান্ত কৰা হৈছে। বিষয়টো সন্দৰ্ভত তথ্য-পাতি কোন কোন উৎসৰ পৰা পোৱা যাব সেই বিষয়ে এখন তালিকা প্ৰস্তুত কৰি লোৱা হৈছে। সম্ভাব্য উৎসসমূহ অধ্যয়নৰ যোগেদি প্ৰয়োজনীয় তথ্য-পাতি সংগ্ৰহ

কৰাৰ ক্ষেত্ৰত টোকা প্ৰস্তুত, সংগৃহীত তথ্য-পাতি বিজ্ঞানসন্মত দৃষ্টিৰে পৰ্যালোচনা, বৰ্ণনাত্মক পৰ্যালোচনা, তথ্যসমূহৰ শুদ্ধতা নিৰ্ণয় আদিৰে ফলাফলৰ মূল্যায়ন চূড়ান্ত কৰি গৱেষণা কাৰ্য সম্পূৰ্ণভাৱে বৈজ্ঞানিক, পদ্ধতিগত তথা অনুসন্ধানমূলক ৰূপত প্ৰস্তুত কৰিবলৈ আগবঢ়া হৈছে।

### ০.০৭ গৱেষণাৰ সমস্যা

প্ৰস্তাৱিত বিষয়টো সন্দৰ্ভত অধ্যয়ন আৰু গৱেষণালব্ধ তথ্য উদ্‌ঘাটন কৰাৰ ক্ষেত্ৰত যথেষ্ট সমস্যা আছে। এই সমস্যাসমূহ হ'ল,- এই বিষয়টো সন্দৰ্ভত সংগ্ৰহ কৰিবলগীয়া তথ্য-পাতিৰ উৎসসমূহ সহজলভ্য নহয়। তথ্য-পাতি সংগ্ৰহৰ বাবে উৎসসমূহৰ সন্ধান কৰাৰ ক্ষেত্ৰত সুচল ব্যৱস্থাৰ অভাৱ দেখা গৈছে। বিষয়টিৰ ওপৰত অসমীয়া ভাষা-সাহিত্যৰ গৱেষকসকলেও বিজ্ঞানসন্মতভাৱে গৱেষণা কৰা নাই। সেয়ে প্ৰকল্প প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা হৈছে। আনহাতে ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ আগৰ কালছোৱাৰ সমলসমূহ প্ৰাপ্তিৰ ক্ষেত্ৰতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। যিহেতু অসমীয়া ভাষা-সাহিত্যৰ পৰম্পৰা আৰু ক্ৰমবিকাশৰ ক্ষেত্ৰত ঊনবিংশ শতিকা বা তাৰ আগৰ কালছোৱাৰ বিজ্ঞানসন্মত অধ্যয়নৰ সমল পৰ্যাপ্তভাৱে পাবলৈ নাই, সেয়ে এই ক্ষেত্ৰত সেই শতিকাৰ পটভূমিত এক বাস্তৱসন্মত ফলাফলৰ সন্ধান আৰু লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত কিছু সমস্যা পোৱা যায়।

### ০.০৮ গৱেষণাৰ পদ্ধতি

সংগৃহীত তথ্য আৰু সমলসমূহক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে পুনৰ মূল্যায়ন কৰি প্ৰয়োজনীয় ঠাইত বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগ কৰি সামগ্ৰিকভাৱে এই গৱেষণা প্ৰক্ৰিয়াক সমীক্ষাত্মক পদ্ধতিৰে উপস্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে।

### ০.০৯ অধ্যায় বিভাজন

উপৰ্যুক্ত গৱেষণাৰ মূল আলোচ্য বিষয়টোক মুঠ ৬টা অধ্যায়ত আলোচনা কৰা হৈছে। ঊনবিংশ শতিকাৰ অসম সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশন সম্পৰ্কে এটি সমীক্ষামূলক অধ্যয়নৰ ক্ষেত্ৰত আমাৰ এই গৱেষণা গ্ৰন্থখনৰ প্ৰস্তাৱনা স্বৰূপে 'অৱতৰণিকা' শীৰ্ষক এটি পৰিচয়মূলক টোকা, বিষয়টোৰ আৱশ্যকতা, উদ্দেশ্য, গৱেষণাৰ সমস্যা, অধ্যয়নৰ পৰিসীমা আদিৰ লগতে গৱেষণা-পত্ৰখনৰ প্ৰস্তুতি সম্পৰ্কে উল্লেখ কৰা হৈছে। ছয়টি অধ্যয়ত গৱেষণাৰ বিষয় আগবঢ়োৱাৰ পিছত উপসংহাৰ অধ্যায়ত সিদ্ধান্ত দিয়া হৈছে।